# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 11-07-2025

**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

**:::::::::::::::::::::::::::::::**

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই কয়, যে অসমত গাখীৰ উৎপাদনেৰে স্থানীয় অৰ্থনীতি সৱল কৰাৰ সুন্দৰ সম্ভাৱনা আছে। দুদিনীয়া  কাৰ্বি আংলং ভ্ৰমণৰ সময়ছোৱাত ৰাজ্যপালগৰাকীয়ে আজি মানজাৰ এটা দুগ্ধ উৎপাদন কেন্দ্ৰ পৰিদৰ্শন কৰি এই মন্তব্য কৰে। তেওঁ লগতে কয়, যে স্থানীয় অৰ্থনীতি সৱল কৰি তোলাৰ বাবে দুগ্ধ খণ্ডৰ উন্নয়নৰ প্ৰয়োজন। কৃষক আৰু চৰকাৰৰ মাজত সমন্বয় থাকিলেহে দুগ্ধ খণ্ডৰ উন্নয়ন অধিক ত্বৰান্বিত হ'ব বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলঙৰ ভ্ৰমণৰ অংশ হিচাপে আজি লংনিতত থকা জলজীৱন মিছনৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। তদুপৰি তেওঁ চৰকাৰৰ বিভিন্ন আঁচনিসমূহ ৰূপায়ন কৰা তথা হিতাধিকাৰীসকলে সেই আঁচনিসমূহৰ পৰা কেনেদৰে সৰ্বাধিক লাভ পাব পাৰে সেই বিষয় লৈও স্থানীয় লোকৰ সৈতে বাৰ্তালাপ কৰে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ ভূমিত চৰকাৰে চলাবলগীয়া উচ্ছেদ অভিযানত কোনো অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ জাৰি কৰা নাই। বন বিভাগে বনাঞ্চলখনত উচ্ছেদ চলোৱাৰ আশংকাৰে ১৯৪ গৰাকী লোকে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল। এই লেখ আবেদনৰ ভিত্তিত গোচৰীয়াসকলৰ লগতে চৰকাৰী পক্ষৰ শুনানি লৈ উচ্চ ন্যায়ালয়ে প্ৰস্তাৱিত উচ্ছেদ অভিযানত কোনো স্থগিতাদেশ জাৰি নকৰিলে। ইয়াৰ বিপৰীতে উচ্চ ন্যায়ালয়ে অহা ২১ জুলাইত লেখ আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰিছে। উচ্চ ন্যায়ালয়ে লগতে পুনসংস্থাপনৰ ব্যৱস্থা নোহোৱা পৰ্যন্ত বন বিভাগে গোচৰীয়া লোকসকলৰ বাবে পৰ্যাপ্ত খাদ্য আৰু বিকল্প আশ্ৰয় ব্যৱস্থা কৰিব লাগিব বুলিও স্পষ্ট কৰি দিয়ে। চৰকাৰে কাইলৈৰ পৰা পাইকান সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলাবলৈ সাজু হৈছে বুলি আমাৰ স্থানীয় সংবাদদাতাই জানিবলৈ দিছে।

০০০০

কামৰূপ মহানগৰ জিলাৰ পক্‌চো আদালতে আজি শিশু যৌন নিৰ্যাতনৰ গোচৰত চন্দন বৰা নামৰ এজন লোকক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ নিৰ্দেশ দিয়াৰ লগতে ১০ হাজাৰ টকাৰ জৰিমণা বিহিছে। চন্দন বৰাৰ বিৰুদ্ধে পলটন বজাৰ থানাত ৰুজু হোৱা এটা গোচৰৰ শুনানি গ্ৰহণ কৰি আজি আদালতে আজি এই নিৰ্দেশ দিয়ে।

ইফালে, কামৰূপ জিলাৰ ৰঙিয়াৰ অতিৰিক্ত ছেছন আদালতে ধৰ্ষণৰ গোচৰত অভিযুক্ত চামাদুল আলী নামৰ এজন লোকক ৭ বছৰ সশ্ৰম কাৰাদণ্ডৰ নিৰ্দেশ দিছে। ২০১৯ চনত বাইহাটা চাৰিআলি থানাত ৰুজু হোৱা গোচৰটোৰ শুনানি গ্ৰহণ কৰি আজি এই ৰায় দিয়ে। আনহাতে ভুক্তভোগী যুৱতীগৰাকীক জিলা আইন সেৱা প্ৰাধিকৰণৰ পৰা এক লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈও আদালতে নিৰ্দেশ দিয়ে।

০০০০

পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে আজি দক্ষিণ শালমাৰা মানকাচৰ জিলাত উপস্থিত হৈ হাতশিঙিমাৰী মানকাচৰ সংযোগী পথছোৱা পৰিদৰ্শন কৰে। বিগত কেইবাছৰৰ পৰা এই পথছোৱা মেৰামতি নকৰাকৈ থকাৰ ফলত স্থানীয় লোকে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। মন্ত্ৰীগৰাকীয়ে এই পথছোৱা শীঘ্ৰে নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৬৫ টা কৈ পথ শীঘ্ৰে নিৰ্মাণ কৰা হ'ব বুলিও মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ পশুপালন বিভাগ আৰু মীন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে।

০০০০

পশ্চিম কাৰ্বি আংলঙৰ হামৰেনত থকা ৰনচিংডন প্ৰাথমিক বিদ্যালয়ত আজি মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলাখনৰ শিশু সুৰক্ষা বিভাগৰ সমন্বয়ত বিপাক্ষী নাথৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত বাল্য বিবাহ, শিশু শ্ৰমিক, শিশু সৰবৰাহ আৰু নিচাজাতীয় দ্ৰব্য সেৱনক লৈ বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰ পিছতে বিদ্যালয়খনৰ শিশুসকলৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

০০০০

আজি বিশ্ব জনসংখ্যা দিৱস। সমগ্ৰ বিশ্বতে জনসংখ্যা বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়।

ৰাজ্যৰ কেইবাখনো জিলাত আজি বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

কামৰূপ মহানগৰ জিলাৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ধীৰেণপাৰা উপ স্বাস্থ্য কেন্দ্ৰত বিশ্ব জনসংখ্যা দিৱস পালন কৰা হয়। মহানগৰ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অপূৰ্ব কৃষ্ণ শৰ্মাই দিৱসৰ শুভাৰম্ভ কৰে।

ওদালগুৰি জিলাতো জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ওদালগুৰি অসামৰিক চিকিৎসালয়ত জনসংখ্যা দিৱস পালন কৰা হয়। একেদৰে লখিমপুৰ, বৰপেটা, মৰিগাঁও, বজালী, কাচাৰ, যোৰহাট, তেজপুৰ, পশ্চিম কাৰ্বি আংলঙকে ধৰি বিভিন্ন জিলাত জিলা স্বাস্থ্য সমিতিয়ে এই দিৱস বিস্তৃত কাৰ্যসূচীৰে পালন কৰাৰ বাতৰি আহিছে।

০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত টেষ্ট শৃংখলাৰ তৃতীয়খন টেষ্টৰ আজি দ্বিতীয় দিনা ঘৰুৱা দল ইংলেণ্ডে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৩৮৭ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই আজি ৫ টা উইকেট দখল কৰে। ইংলেণ্ডে ৪ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৫১ ৰান পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিছিল। ভাৰতে নিজৰ ইনিংছ আৰম্ভ কৰি ২ টা উইকেট হেৰুৱাই ৭৮ ৰান কৰি খেলি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ